জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩০৬/২০২১**

# মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিলে 'মিছন বসুন্ধৰা'

# 'মিছন বসুন্ধৰা'ই খিলঞ্জীয়া জনসাধাৰণৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ পথ প্ৰশস্ত কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ অক্টোবৰ ঃ** ভূমি সম্পৰ্কীয় কাম-কাজসমূহ জনসাধাৰণে যাতে সহজে সম্পাদন কৰিব পাৰে সেই লক্ষ্যৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা এক অনুষ্ঠানত 'মিছন বসুন্ধৰা' আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে।

ভূমি ৰাজহ সেৱা সঠিক ৰূপেৰে আগুৱাই নিয়াৰ দিশত মিছন বসুন্ধৰা এক ঐতিহাসিক আৰু নিৰ্ণায়ক পদক্ষেপ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই মিছনে মধ্যভোগীক আঁতৰ কৰাৰ লগতে চৰকাৰী কাৰ্যালয়সমূহলৈ ভূমি সম্পৰ্কীয় কাম-কাজৰ বাবে জনসাধাৰণ যাতে অপ্ৰয়োজনীয়ভাৱে অহা যোৱা কৰিব নালাগে আৰু ভূমি সমস্যাসমূহ জনসাধাৰণে অনলাইন ব্যৱস্থাৰে মীমাংসা কৰিব পৰিব সেয়া সুনিশ্চিত কৰিব।

ভূমি নথি উন্নীতকৰণৰ বাবে মিছন বসুন্ধৰাৰ জৰিয়তে ক্ষিপ্ৰ সেৱা আগবঢ়াবো হ'ব আৰু ইয়াৰ জৰিয়তে জনসাধাৰণে ৯ টা সেৱা যেনে - উত্তৰাধিকাৰীসূত্ৰে নামজাৰি, দলিলসূত্ৰে নামজাৰি, বিবাদমুক্ত বাটোৱাৰা, একচনীয়া পট্টাৰ ম্যাদী পট্টাকৰণ, মাটিৰ শ্ৰেণী পৰিৱৰ্তন, ৰাজহ নথিৰ পৰা দখল / স্বত্ববিহীন পট্টাদাৰৰ নাম কৰ্তন, আবণ্টিত মাটিৰ ম্যাদী পট্টাকৰণ, ভূমি নথিৰ সংশোধনী আৰু ভূমি নথিত পট্টাদাৰৰ মোবাইল নম্বৰ অন্তৰ্ভুক্তকৰণৰ সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বসুন্ধৰা প'ৰ্টেলত অনলাইনযোগে ২ অক্টোবৰৰ পৰা ৩০ নবেম্বৰ ২০২১ লৈ আৱেদন কৰিব পাৰিব আৰু অভিযোগসমূহ পৰ্যায়ক্ৰমে ২০২২ চনৰ ১০ মে'ৰ ভিতৰত নিষ্পত্তি কৰা হ'ব।

এই ৯ টা সেৱাৰ উপৰিও ২০২২ চনৰ ৩১ মাৰ্চৰ ভিতৰত ৰাজ্যৰ ৬৭২ খন অ-সীমামূৰীয়লি গাঁৱত বহুভূজি জৰীপ সম্পূৰ্ণ কৰা হ'ব। আনহাতে ২০২৩ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত সকলো সীমামূৰীয়লি গাঁৱত হাইব্ৰীড পদ্ধতি যেনে - ড্ৰ'ণ, ই টি এছ, ডি জি পি এছ ইত্যাদি ব্যৱহাৰ কৰি পুনৰ জৰীপ কৰা হ'ব। অ-সীমামূৰীয়লি গাঁৱসমূহৰ জৰীপে ৰাজ্যখনৰ থলুৱা ভূমিহীন লোকসকলৰ ভূমিৰ অধিকাৰ লাভ কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব। ২৭ খন জিলাৰ ১৮৭৮৯ গাঁৱৰ পুনৰ জৰীপে নাগৰিকসকলৰ বাবে ভূমি অধিকাৰ লাভ কৰাৰ পথ প্ৰশস্ত কৰিব।

তদুপৰি মিছন বসুন্ধৰাই ডিজিটেল ইণ্ডিয়া লেণ্ড ৰেকৰ্ড আধুনিকীকৰণ কাৰ্যসূচীৰ অধীনত মানচিত্ৰৰ সম্পূৰ্ণ ডিজিটেলকৰণ আৰু অসমৰ ভূমি ৰেকৰ্ড একত্ৰিকৰণৰ লক্ষ্য বাস্তৱায়িত কৰাৰ সুবিধা প্ৰদান কৰিব।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আনহাতে পুনৰ জৰীপ অনুশীলনৰ ফলত সঠিক, সুসংগত, বাস্তৱ সময়ৰ ভূমি ৰেকৰ্ড সম্পন্ন হ'ব।

চক্ৰ বিষয়াসকলক এই মিছন সফল কৰাৰ বাবে উৎসৰ্গিত মনোভাৱেৰে কাম কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰায় ৭০০ ভূমিৰ দালালক গ্ৰেপ্তাৰ কৰা হৈছে যাতে এই ব্যৱস্থাটোৰ পৰা মধ্যভোগীসকলক আঁতৰ কৰিব পৰা যায়। এতিয়া চক্ৰ বিষয়াসকলে এই কাৰ্যসূচী সততা আৰু নিষ্ঠাৰে ৰূপায়ণ কৰাৰ দায়িত্ব ল'ব লাগিব এই মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মিছন বসুন্ধৰাই অসামৰিক সেৱাৰ বিষয়াসকলক ভৱিষ্যত প্ৰজন্মৰ বাবে ৰাজহুৱা সেৱাৰ এক নজিৰ স্থাপন কৰাৰ সুযোগ প্ৰদান কৰিছে বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো চক্ৰ বিষয়াৰ কাৰ্যালয়ক পুনৰ নিৰ্মাণৰ বাবে ১ কোটি টকা প্ৰদান কৰা হ'ব। ইয়াৰ লগতে প্ৰয়োজনীয় বাহন আৰু অন্যান্য সা-সুবিধাা প্ৰদান কৰা হ'ব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই কাৰ্যসূচী ৰূপায়ণৰ বাবে ২২৫ কোটি টকা ব্যয় কৰা হ'ব আৰু এই মিছনে ৰাজ্যখনৰ সকলো হেৰুওৱা ভূমি ৰেকৰ্ড পুনৰ প্ৰস্তুত কৰাত সহায় কৰিব।

নিষ্ক্ৰিয়তাই আটাইতকৈ ডাঙৰ অপৰাধ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে চৰকাৰী কৰ্মচাৰীসকলক এই মিছন ৰূপায়ণৰ দিশত অৱহেলা অথবা দুৰ্নীতিক প্ৰশ্ৰয় দিয়াৰ পৰা বিৰত থাকিবলৈ সতৰ্ক কৰি দিয়ে। থলুৱা জনসাধাৰণৰ ভূমি অধিকাৰ সুৰক্ষিত কৰাটোৱে মিছনৰ মুখ্য উদ্দেশ্যে আৰু মিছন বসুন্ধৰাৰ জৰিয়তে জনসাধাৰণ বিশেষকৈ দৰিদ্ৰ আৰু সা-সুবিধাৰ পৰা বঞ্চিত লোকসকলক তেওঁলোকৰ ভূমি সম্পৰ্কীয় কাম-কাজ সম্পূৰ্ণ কৰাত সহায় কৰিব লাগিব বুলিও তেওঁ কয়।

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনে ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত মুখ্য সচিব জিষ্ণু বৰুৱা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া জিডি ত্ৰিপাঠী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত এম এছ মনিৱন্নন প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ**
**০২-১০-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in